জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৯/২০২১

# বিশিষ্ট চলচ্চিত্ৰ পৰিচালক দাৰা আহমেদৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ মে' ঃ** বিশিষ্ট চলচ্চিত্ৰ পৰিচালক দাৰা আহমেদৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দাৰা আহমেদৰ বিয়োগত অসমীয়া চলচ্চিত্ৰ জগতত এক শূন্যতাৰ সৃষ্টি হ'ল। বিশিষ্ট চলচ্চিত্ৰ পৰিচালকগৰাকীয়ে কেইবাখনো জনপ্ৰিয় অসমীয়া বোলছবি পৰিচালনা কৰি আমাৰ সাংস্কৃতিক জগতলৈ বিশিষ্ট অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ বিয়োগত ৰাজ্যখনে চলচ্চিত্ৰ জগতৰ এগৰাকী বিশিষ্ট পৰিচালকক হেৰুৱালে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দাৰা আহমেদৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ/পুঃডেঃ**
**২৪/০৫/২০২১**